ISSN 2319-8559

# অসমজ্যোতি
(গৱেষণা পত্ৰিকা)

# ASOMJYOTI
(RESEARCH JOURNAL)

সংখ্যা ঃ ৩
২০১৭ খৃষ্টাব্দ

VOL. III
2017

অসমীয়া বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

DEPARTMENT OF ASSAMESE
JAWAHARLAL NEHRU COLLEGE, BOKO

ISSN 2319-8559

# অসমজ্যোতি

(গৱেষণা পত্ৰিকা)

# ASOMJYOTI

(RESEARCH JOURNAL)

সংখ্যা ঃ ৩
২০১৭ খৃষ্টাব্দ
VOL. III
2017

অসমীয়া বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো
DEPARTMENT OF ASSAMESE
JAWAHARLAL NEHRU COLLEGE, BOKO

ISSN 2319-8559

ASOMJYOTI : A Research Journal on social sciences and humanities.
Vol. III, 2017

ISSN 2319-8559

**Editorial Board:**

**Adviser:**

Dr. Upen Rabha Hakacham, Professor, Dept. of Assamese, Gauhati University
Dr. Bimal Majumdar, Associate Professor, Dept. of Assamese, Gauhati University
Dr. Nripen Goswami, Principal, J.N. College, Boko
Dr. Kamaleswar Thakuria, Guest Professor, Dept. of Assamese, J.N. College, Boko
Mr. J.C. Medhi, Associate Professor, Dept. of Assamese, J.N. College, Boko

**Editor :**

Dr. Lalit Ch. Rabha, Associate Prof., Dept. of Assamese, J.N. College, Boko

**Assistant Editor :**

Dr. Kshirod Kr.Thakuria, HoD, Dept. of Assamese, J.N. College, Boko
Ms. Manjira Sarma, Associate Prof., Dept. of Assamese, J.N. College, Boko

**Address for communication :**

Dr. Lalit Ch. Rabha, Dept. of Assamese, J.N. College, Boko
E-mail : lalitcrabha@gmail.com
Ph. No. 9859721224

Printed at Olivia Offset, Boko, Kamrup, Assam

 ISSN 2319-8559

# সূচীপত্র


- বিদেশৰ পটভূমিত ৰচিত ভবেন্দ্রনাথ শইকীয়াৰ চুটিগল্প ঃ এটি দৃষ্টিপাত — অমল চন্দ্র দাস — ৫
- 'ইয়াৰুইঙ্গম' উপন্যাসত টাংখুল নগা জনজাতিৰ সমাজ জীৱনৰ প্রতিচ্ছবি — জাহ্নৱী বসুমতাৰী — ১০
- ত্রৈলোক্য ভট্টাচার্যৰ 'সাঁচিপাতৰ পুথি' ঃ এখনি মনোগ্রাহী ঐতিহাসিক উপন্যাস — সত্যজিৎ দাস — ১৫
- টাই খামতি ভাষা আৰু টাই আহোম ভাষাৰ ৰূপতত্ত্বৰ এক তুলনামূলক অধ্যয়ন — অসীম শইকীয়া — ২১
- দক্ষিণ কামৰূপৰ মৃৎশিল্প ঃ পৰম্পৰা আৰু পৰিবৰ্তন — ৰবী ৰবা — ৩১
- দক্ষিণ কামৰূপ পাতিৰাভাসকলৰ ঘৰুৱা সামগ্রী, পৰম্পৰা আৰু আধুনিকতাৰ চাপ — বিনয়া দেৱী, বিজয়া ডেকা — ৩৫
- গ্রাম্য সমাজৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক বিকাশত গ্রাম্য ৰাজহুৱা পুথিভঁৰালৰ ভূমিকা — অনামিকা বৈশ্য — ৩৯
- গৌৰী শংকৰ ভট্টাচাৰ্য্য ঃ ব্যক্তি আৰু ব্যক্তিত্ব — শিখা দাস — ৪৪
- মনো- ভাষাবিজ্ঞানৰ এক আলোচ্য বিষয় ঃ শিশু ভাষা — তুনুকা ৰাভা — ৪৮
- তিৱা জনজাতিৰ লুপ্তপ্রায় অনুষ্ঠানসমূহৰ এটি আলোচনা — পম্পী মনি দেউৰী — ৫২
- যুৱ সৰলীকৰণ ঃ কামৰূপ জিলাৰ বন্দাপাৰা ৰাজহ গাঁৱৰ বিশেষ উল্লেখনসহ — অংশুমান বড়োচা — ৫৬
- Role of the Newly Emerging Middle Class in Assamese Society During Colonial Period — Anita Rabha — ৬০
- Role of Primary Education and Status of Female Students of Boko Development Block : A Study — Bhau Prabha Goyary — ৬৭
- Langa Puja : A Ritual Among the Pati Rabhas of Boko Area — Ansuma Kh. Bodosa, Dr. Mahananda Das — ৭০
- Knowledge of Wild Edible vegetable plants among the Assamese community of Barpeta District, Assam — Ratul Das — ৭৪


●●●

ISSN 2319-8559

# দক্ষিণ কামৰূপ পাতিৰাভাসকলৰ ঘৰুৱা সামগ্ৰী, পৰম্পৰা আৰু আধুনিকতাৰ চাপ

* বিনয়া দেৱী
** বিজয়া ডেকা

মানুহে জীৱনৰ প্ৰয়োজন পূৰাবলৈ তৈয়াৰ কৰা ঘৰ-দুৱাৰ, কৃষি আহিলা, চিকাৰৰ আহিলা, মাছধৰা সঁজুলি, কানি-কাপোৰ, পাত্ৰ বা বচন বৰ্তন, পাচি-খৰাহী, বোৱাকটাৰ সঁজুলি সকলোবোৰকে বস্তু-সামগ্ৰী বা সামগ্ৰী বোলা হয়। জনগোষ্ঠী এটাৰ বস্তুসামগ্ৰী বুলিলেও একেবোৰ সামগ্ৰীয়ে অন্তৰ্ভূক্ত হয়। মানুহে প্ৰাচীন কালৰ পৰাই বিভিন্ন কলা-কৌশল উদ্ভাৱন কৰি এই বস্তুসমূহ তৈয়াৰ কৰি আহিছে আৰু ভিন ভিন জনগোষ্ঠীৰ মানুহে নিজ নিজ সংস্কৃতিত ন ন উপাদানৰ সংযোজন ঘটাইছে। কোনো এক জনগোষ্ঠীয়ে একেধৰণৰ সামগ্ৰী দীৰ্ঘকাল ব্যৱহাৰ কৰি থকাৰ ফলত এক পৰম্পৰাৰ সৃষ্টি হয়। যিয়েই নহওক সংস্কৃতি এটা কেতিয়াও একেটা অৱস্থাতে বা স্থানতে বৈ নাথকে, ই একেধাৰে স্থিতিশীল আৰু গতিশীল। কোনো এক সংস্কৃতিৰ বস্তু-সামগ্ৰীবোৰৰ ক্ষেত্ৰতো সময়ৰ লগে লগে কিছু পৰিৱৰ্তন, পৰিবৰ্দ্ধন আদি ঘটা দেখা যায়। আধুনিকতা, শিক্ষাৰ প্ৰভাৱ, অন্য সংস্কৃতিৰ মানুহৰে সংস্পৰ্শ, যোগাযোগ ব্যৱস্থা আদিকেই ইয়াৰ প্ৰধান কাৰক বুলিব পাৰি। এই নিৱন্ধত অসমৰ দক্ষিণ কামৰূপত বহুলভাৱে বিস্তৃত হৈ থকা পাতিৰাভাসকলৰ ঘৰুৱা সামগ্ৰীত পৰম্পৰা আৰু আধুনিকতাৰ চাপ সম্পৰ্কে অধ্যয়ন কৰিবলৈ বিনম্ৰ প্ৰয়াস কৰা হৈছে। আলোচনাটি বকো অঞ্চলৰ হলধিবাৰী গাঁৱত ২০১২ চনতে চলোৱা এক ক্ষেত্ৰ অধ্যয়নৰ ভিত্তিত যুগুত কৰা হৈছে। হালধিবাৰী গাঁৱৰ আটাইবোৰ পৰিয়ালেই ৰাভা (পাতিৰাভা) জনগোষ্ঠীৰ আৰু গাঁওখনৰ পৰিয়ালৰ সংখ্যা ৮৫ ঘৰ। বিষয়বস্তুৰ ওপৰত অধ্যয়ন চলাবলৈ লেখিকাদ্বয়ে গাঁওখনৰ ভালেকেইগৰাকী ব্যক্তিক সাক্ষাৎ কৰি তেওঁলোকৰ মতামত গ্ৰহণ কৰিছে আৰু নিজৰ পৰ্যবেক্ষণৰ দ্বাৰাও যথেষ্ট তথ্য আহৰণ কৰিছে।

**থোৰতে পাতিৰাভাসকলঃ**

ডঃ বিৰিঞ্চি কুমাৰ মেধিৰ (২০০৬) মতে ৰাভাসকল মঙ্গোলীয় গোষ্ঠীৰ অন্তৰ্গত ব'ড' সকলৰ এটা শাখা আৰু এওঁলোকে ভাৰতৰ উত্তৰ-পশ্চিম দিশৰ পৰা উত্তৰ-পূব ভাৰতত প্ৰবেশ কৰিছিল। ৰাভাসকলৰ উৎপত্তিৰ বিষয়ে সবিশেষ জনা নাযায়। Endle ৰ (১৯৭৫ঃ৮৪-৮৫) মতে সুদূৰ অতীতত হিন্দু পুৰুষ আৰু কছাৰী মহিলাৰ বিবাহৰ ফলত ৰাভাসকলৰ উৎপত্তি হৈছিল। আকৌ গেইটে লিখিছে যে ৰাভাসকল আচলতে কোন নিশ্চয়কৈ ক'ব নোৱাৰি। নামনি অসমত প্ৰচলিত বিশ্বাস মতে এওঁলোক গাৰোসকলৰ পৰা উৎপত্তি হোৱা, আনহাতে কামৰূপ আৰু দৰং জিলাত এওঁলোকক হিন্দু ধৰ্মৰ ফালে অগ্ৰসৰ হোৱা কছাৰী গোষ্ঠী বুলি ভবা হয়। যিয়েই নহওক এইটো খাটাং যে এওঁলোক বৃহত্তৰ ব'ড' পৰিয়ালৰ এটা শাখা। ৰাভাসকলৰ প্ৰধান বসতি এলেকা অসমৰ কামৰূপ, গোৱালপাৰা আৰু দৰং জিলা। মেঘালয়ৰ পূব গাৰোপাহাৰ জিলাতো ভালেসংখ্যক ৰাভালোকৰ বসতি দেখা যায় (দাস ঃ১৯৬০ঃ২)। যাহওক কামৰূপ আৰু গোৱালপাৰা জিলাতেই ৰাভাসকলৰ বসতি ঘন। ৰাজেন ৰাভাৰ (১৯৭৮ ঃ১৫-১৭) মতে ৰাভাসকল পাতি, ৰাংদানী, মাইট'ৰী, টোট্‌লা, বিটলীয়া, দাহাৰী, চুঙা, কোচা আদি কেইবাটাও সাংস্কৃতিক গোটত বিভক্ত। তেখেতৰ মতে এই ভাগসমূহ তেওঁলোকৰ পৰম্পৰাগত দেৱী খোক্‌চি বা বাইখু দেৱীৰ পূজাত তেওলোকে পালন কৰা কৰ্ম বা দায়িত্বৰ ভিত্তত গঢ়ি উঠিছিল। এই পূজাত যিটো গোটে পাত সংগ্ৰহ কৰাৰ দায়িত্ব লৈছিল, তেওঁলোক পাতিৰাভা নামেৰে

* সহযোগী অধ্যাপিকা, নৃতত্ত্ব বিভাগ।
** সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ, জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো।

জনাজাত হয়।

কামৰূপ আৰু গোৱালপাৰা জিলাত বাস কৰা পাতিৰাভাসকল সংস্কৃতিৰ দিশৰ পৰা অন্য ভাগ বিলাকতকৈ অসমীয়া হিন্দুসকলৰ বেছি ওচৰ চপা। তেওঁলোকৰ মাজত পৰম্পৰাগত তিব্বত-ধৰ্মী ভাষাৰ ব্যৱহাৰ নোহোৱা হৈছে আৰু তেওঁলোকে অসমীয়াতে কথা বতৰা পাতে (মেধি ঃ ২০০৬,১৪)।

**পাতিৰাভাসকলৰ ঘৰুৱা সামগ্ৰী ঃ**

পতিৰাভাসকলৰ ঘৰুৱা সামগ্ৰী বুলি কওঁতে ভিন ভিন তৰহৰ সামগ্ৰী বা বয়বস্তু অন্তৰ্ভূক্ত হৈ পৰে। এইবোৰৰ কিছুমান নিৰ্দিষ্ট কামৰ বাবে ব্যৱহৃত আৰু কিছুমান ভিন ভিন কামৰ বাবেও ব্যৱহৃত হয়। এই সামগ্ৰীসমূহৰ কিছুমান পৰম্পৰাগতভাৱে প্ৰচলিত আৰু আন কিছুমান আধুনিকতাৰ সংযোজন। জনগোষ্ঠী এটাই জীৱন ধাৰণ প্ৰক্ৰিয়াত অসংখ্য বস্তুৰেই ব্যৱহাৰ কৰে। এই লিখনিত আলোচনাৰ সুবিধাৰ অৰ্থে এই সামগ্ৰীসমূহৰ কিছু অংশহে বৰ্ণনা কৰিবলৈ লোৱা হৈছে।

**দৈনন্দিন জীৱনত ব্যৱহাৰ্য সামগ্ৰী ঃ**

দৈনন্দিন জীৱনত ব্যৱহাৰ্য সামগ্ৰী বুলিলে বিভিন্ন বাচন-বৰ্তন, বস্তু ৰখা পাত্ৰ (container), আচবাব পত্ৰ (furniture), অস্ত্ৰ-শস্ত্ৰ, কানি-কাপোৰ, ঢেঁকী বা উৰাল আদিকে ধৰি বহুতো সামগ্ৰীয়েই অন্তৰ্ভূক্ত হয়। ৰাভাসকলে বিভিন্ন ধৰণৰ কাঁহি-বাতি, গিলাচ, কাপ-প্লেট, চৰিয়া, কলহ আদি বাচন হিচাপে ব্যৱহাৰ কৰে। এই সমূহ বজাৰত উপলব্ধ সামগ্ৰী। এইবোৰ কাঁহ, পিতল, ষ্টীল, এনামেল, গ্লাচ, মাটি, চিনামাটি আৰু প্লাষ্টিক আদি বিভিন্ন পদাৰ্থৰে তৈয়াৰী। বন্ধনৰ বাবে ডাঙৰ ডাঙৰ চচ্‌পেন বা হাণ্ডি, হাতল থকা কেঁচা লোহাৰ কেৰাহী (ক'ৰাই), সৰু চচ্‌পেন, কেট্‌লি আদি ব্যৱহাৰ কৰে। কিছুসংখ্যক পৰিয়ালে প্ৰেচাৰ কুকাৰো ব্যৱহাৰ কৰে। এইবিলাকৰ ওপৰিও ৰাভাসকলে বেলেগ বেলেগ ধৰণৰ মাটিৰ পাত্ৰও ব্যৱহাৰ কৰে। তেওঁলোকে পানী তপত কৰিবলৈ, লগতে পানী জমা কৰি ৰাখিবলৈ ডাঙৰ ডাঙৰ মাটিৰ কলহ ব্যৱহাৰ কৰে। পিঠা বনালৈ মাটিৰ চাপৰ, বহল মুখৰ পাত্ৰ ব্যৱহাৰ কৰে। কিছুমানে পিঠা বনাবলৈ মাটিৰ কলহো ব্যৱহাৰ কৰে। ৰাভাসকলৰ পৰম্পৰাগত পানীয় (লাওপানী) প্ৰস্তুত কৰাৰ বাবে এটা ডাঙৰ ধাতুৰ হাণ্ডী, এটা একে আকাৰৰ মাটিৰ হাণ্ডী আৰু এটা বাঁহৰ তঙালৰে তৈয়াৰী চুঙা আকৃতিৰ পাত্ৰ (জাতি) ব্যৱহাৰ কৰে। এই ব্যৱস্থাটোত আধুনিক উদ্যোগজাত আৰু থলুৱা হস্তনিৰ্মিত সামগ্ৰীৰ সংমিশ্ৰণ দেখা যায়। ৰন্ধা-বঢ়া কামত তেওঁলোকৰ বহুতেই বাঁহেৰে তৈয়াৰী 'ডালিঘুণ্টা' আৰু 'খন্তি' ব্যৱহাৰ কৰে। ৰাভাসকলৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত অইন এবিধ পাত্ৰৰ নাম 'বৰুৱা'। ই দীঘল আৰু সৰু ডিঙিৰে পানীলাওৰ খোলাৰ পৰা তৈয়াৰী পাত্ৰ। ইয়াক সাধাৰণতে উৎসৱ পাৰ্বণত লাওপানী বিতৰণ কৰিবলৈ ব্যৱহাৰ কৰে। কেতিয়াবা আনকি লাওপানী খাবলৈও ইয়াক কাপ হিচাপে ব্যৱহাৰ কৰে। উৎসৱ বা ৰাজহুৱা খাদ্য পৰিবেশনত কলগছৰ বৌখাৰ পৰা তৈয়াৰী নাৱৰ আকৃতিৰ 'ড'না'ত তেওঁলোকে খাদ্য খায়। এইবোৰ তেওঁলোকে থলুৱা কৌশলেৰে সহজে তৈয়াৰ কৰি লয়। এইবোৰ পাত্ৰ এবাৰ ব্যৱহাৰ কৰিয়েই পেলাই দিয়ে। একেদৰেই ভোজ বা ডাঙৰ উৎসৱত থলুৱা 'কাক' বাঁহৰ পৰা পানী খোৱা চুঙা সহজেই তৈয়াৰ কৰি লয়। সম্প্ৰতি বজাৰত পোৱা আইনাৰ গিলাচ আৰু শেহতীয়াকৈ কোনো কোনোৱে পেলাই দিব পৰা কাগজৰ কাপ আদিও উৎসৱ পাৰ্বনৰ খোৱা বোৱাত ব্যৱহাৰ কৰিবলৈ লৈছে।

পাতিৰাভাসকলে ঘৰুৱা খাদ্য-সামগ্ৰী ৰখাৰ বাবে বিভিন্ন ধৰণৰ পাত্ৰ ব্যৱহাৰ কৰে। ৰাভাসকল ঘাইকৈ কৃষিজীৱী আৰু তেওঁলোকৰ প্ৰধান উৎপাদিত শস্য ধান। ঋতুকালীন এই শস্যবিধ সাধাৰণতে সঞ্চয় কৰি ৰখা হয়। সাধাৰণতে সৰহীয়া পৰিমাণৰ ধান ৰাখিবলৈ ভঁৰাল ঘৰ (মায়কানি) ব্যৱহাৰ কৰে। ৰাভাসকলে ভঁৰাল ঘৰটো বাঁহ, কাঠ, খেৰ আদিৰে সাজে আৰু ইয়াক খুটাৰ ওপৰত চাং কৰি ওখকৈ সাজে। ধান ৰাখিবৰ বাবে তেওঁলোকে বাঁহৰ তমালেৰে তৈয়াৰী এবিধ ডাঙৰ পাত্ৰ বা 'ডুলি'ও ব্যৱহাৰ কৰে। 'তপা' বা 'খং' নামৰ তমালেৰে তৈয়াৰী মোনা জাতীয় পাত্ৰৰ ভিতৰত খেৰ দি তাৰ ভিতৰত তেওঁলোকে ধানৰ বীজ সংৰক্ষণ কৰে।

ধান বানি উলিওৱা চাউল (মৈৰং) ৰাখিবলৈ তেওঁলোকে মাটিৰ 'হাড়ী', বাঁহৰ পাচি (ড'কা) নাইবা প্লাষ্টিকৰ

পাত্রও ব্যৱহাৰ কৰে। শাক-পাচলি, ফল-মূল বা অন্যান্য সামগ্ৰী ৰাখিবলৈ ৰাভাসকলে বাহৰ পাচি, খৰাহি, ড'লা (ডালা) আদি ব্যৱহাৰ কৰে। বজাৰলৈ বস্তু কঢ়িয়াবলৈ পাচি ব্যৱহাৰ কৰে। আজিকালি মৰাপাটৰ বা প্লাষ্টিকৰ বেগো তেওঁলোকে ব্যৱহাৰ কৰে।

পানী ৰাখিবলৈ মাটিৰ কলহ (কুম্বাই), ধাতুৰ কলহ, বাল্টি নাইবা প্লাষ্টিকৰ বাল্টি ব্যৱহাৰ কৰে। পানী পৰিস্কাৰৰ বাবে কিছুমান পৰিয়ালে আধুনিক ফিল্টাৰ আৰু আন কিছুমান পৰিয়ালে ঘৰুৱাকৈ নিৰ্মিত ফিল্টাৰ ব্যৱহাৰ কৰে। বান্ধনীঘৰৰ বস্তু ৰখাৰ বাবে তেওঁলোকে আইনাৰ, ষ্টীলৰ বা প্লাষ্টিকৰ পাত্ৰ ব্যৱহাৰ কৰে। কিছুমান মাটিৰ পাত্ৰ বা বাঁহৰ চুঙাও ব্যৱহাৰ কৰে। নিমখ ৰাখিবলৈ আগৰ কালত তেওঁলোকে 'গ'চা' পাত ব্যৱহাৰ কৰিছিল যদিও আজিকালি প্লাষ্টিক বা আইনাৰ পাত্ৰতহে নিমখ থয়। দৈ ৰাখিবৰ বাবে ৰাভাসকলে বহুলভাৱে ব্যৱহাৰ কৰা পাত্ৰবিধ হ'ল বাঁহৰ চুঙা। ইয়াৰোপৰি তেওঁলোকে 'মাটিৰ কটা'ত গাখীৰ, দৈ আদি ৰাখে। শুকান মাছ বা 'সিন্দল' ৰাখিবলৈ এওঁলোকে বাঁহৰ চুঙা ব্যৱহাৰ কৰে।

কাপোৰ সযতনে ৰাখিবলৈ পুৰণি কালত ৰাভাসকলে বহলমুখৰ মাটিৰ হাড়ী ব্যৱহাৰ কৰিছিল। বৰ্তমান সময়ত কাঠৰ বাকচ, ষ্টীলৰ আলমাৰি আদি ব্যৱহাৰ কৰিলেও মাটিৰ হাড়ীত কাপোৰ থোৱাৰ অভ্যাস কম সংখ্যক মানুহৰ মাজত আজিও আছে। অন্যান্য মূল্যৱান সামগ্ৰী ৰাখিবলৈকো কিছু ৰাভালোকে এইবোৰ পাত্ৰই ব্যৱহাৰ কৰে। কিছু সংখ্যকে ঘৰতে ডিজাইন দি বনোৱা কাপোৰৰ বেগ টকা পইচা ৰখাৰ বাবে ব্যৱহাৰ কৰে।

ৰাভা পৰিয়াল এটাৰ এবিধ উল্লেখযোগ্য ঘৰুৱা সামগ্ৰী হ'ল উৱাল আৰু উৱাল মাৰি (গাহেন বা গাইন)। ইয়াক মানুহে ধান বনা, চিৰা খুন্দা, পিঠাগুৰি খুন্দা আদি বিভিন্ন কামত ব্যৱহাৰ কৰে। ইয়াৰ ওপৰিও দা, কটাৰী, কুঠাৰ আদি বিভিন্ন সা-সামগ্ৰীয়েও ৰাভাসকলে ব্যৱহাৰ কৰে। কিছুমান পৰিয়ালত আনকি কাপোৰ চিলোৱা মেচিন, কেঁচা আদিও পোৱা যায়। পাতিৰাভাসকলে পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰা আচবাব সমূহ হ'ল কাঠৰ বিচনা (খাট), চকী, বেঞ্চ, পীৰা আদি। বৰ্তমানে কিছুমান পৰিয়ালত সুন্দৰভাৱে তৈয়াৰী পালেং, চোফা, টেবুল, ড্ৰেচিং টেবুল, ডাইনিং টেবুল, মূঢ়া আদিও ব্যৱহাৰ হয়।

**বোৱাকটাৰ সঁজুলি ঃ**

ৰাভা মহিলাসকলে অতি পুৰণি কালৰে পৰাই বোৱাকটা কৰি আহিছে। এওঁলোকে পুৰুষ, মহিলা উভয়ৰে বাবে বেলেগ বেলেগ ধৰণৰ অতি সুন্দৰ ৰঙ-বিৰঙৰ সাজ-পোচাক তৈয়াৰ কৰে। একালত ৰাভা মহিলা এগৰাকীয়ে ঘৰখনৰ বাবে প্ৰয়োজনীয় আটাইখিনি কানি-কাপোৰেই নিজে তৈয়াৰ কৰি লৈছিল। ইয়াৰ বাবে প্ৰয়োজনীয় কপাহী সুতা, এৰী সুতা আদিও নিজেই কাটি উলিয়াইছিল। এওঁলোকে সুতাবোৰ ৰঙীন কৰি ল'বলৈকো জানিছিল।

পাতিৰাভাসকলৰ পৰম্পৰাগত বস্ত্ৰসমূহ হ'ল ৰুফান বা পাতানি, কাম্বাং, খাদাজাং, পাজাল, খচ্‌নে, ফালি, বুচিল, পাচ্‌ৰা আৰু জাৱো আদি। আজিকালি এই বস্ত্ৰসমূহ তেওঁলোকে সাধাৰণতে পূজা-পাতল, উৎসৱ বা সামাজিক কামকাজ আদিতহে পৰিধান কৰে। দৈনন্দিন জীৱনত তেওঁলোকে আন বহুত অসমীয়া মানুহৰ দৰেই কানি-কাপোৰ পিন্ধে। পুৰুষসকলে সাধাৰণতে ধুতি, লংপেণ্ট, চাৰ্ট, পায়জামা, গামোচা আদি পিন্ধে। মহিলাসকলৰ সাধাৰণ পৰিধান হ'ল মেখেলা-চাঁদৰ আৰু ব্লাউজ। ইয়াৰোপৰি শাৰী, চুৰীদাৰ, উলৰ কাপোৰ, শ্বল আদি ব্যৱহাৰ কৰে। বিচনা-চাদৰ, পৰ্দা আদিৰ বাবেও বজাৰত পোৱা মিলৰ কাপোৰ ব্যৱহাৰ কৰে। মিলৰ কাপোৰৰ কিছু ব্যৱহাৰৰ সত্বেও ৰাভাসকলৰ মাজত কাপোৰ বোৱাৰ অভ্যাস এতিয়াও আছে। অধ্যয়নত দেখা গৈছে হালধিবাৰী গাঁৱৰ প্ৰতিটো পৰিয়ালতে তাঁতশাল আছে। ইয়াৰ মহিলাসকলে শালত তেওঁলোকৰ পৰম্পৰাগত কানি-কাপোৰৰ ওপৰিও চাঁদৰ, মেখেলা, শ্বল, এৰী কাপোৰ, গামোচা, ৰুমাল, বেগ আদি তৈয়াৰ কৰে।

বৰ্তমান ৰাভা মহিলাসকলে উৰা মাঁকোৰ তাঁতশালত কাপোৰ বয়। জনা গৈছে তেওঁলোকে আগতে সকলো অসমীয়ালোকে ব্যৱহাৰ কৰা হাতশালত কাপোৰ বৈছিল। তাৰো আগতে ৰাভা মহিলাই কঁকালত পেটী বান্ধি বোৱা শালত কাপোৰ বৈছিল বুলি ৰাজেন ৰাভাদেৱে (১৯৭৮) বৰ্ণনা কৰিছে।

বোৱাকটাত তাঁতশালখন মুখ্য সঁজুলি হ'লেও তাৰ লগত আৰু বহুতো সঁজুলিৰ ব্যৱহাৰ হয়। এইবোৰ হ'ল গাড়ী, বাঁচ, মাকো, চৰ্কা, পেণ্টা, চুৰ্কী, ঘুংকিলা, ব-চুঙা, চেউৰী বা চিৰিখাটি, নাচনি আদি। এইবোৰবে তাঁতশালখন অতি আধুনিক যদিও বাকী সামগ্ৰীবোৰ পুৰণি কালৰ পৰা তেওঁলোকে ব্যৱহাৰ কৰে অহা। এইবোৰৰ বেছিভাগেই কাঠ বাঁহেৰে তৈয়াৰী। ইয়াৰে কিছুমানত মানুহে নিজস্ব কৌশলো প্ৰয়োগ কৰা দেখা গৈছে। যেনে- ব-ৰ শাৰীবোৰ উঠা-নমা কৰিবলৈ তেওঁলোকৰ কিছুমানে লোহাৰ চকৰী বা সাধাৰণতে প্ৰচলিত কাঠৰ নাচনীৰ পৰিবৰ্তে সৰু, চুটি বাঁহৰ চুঙা ব্যৱহাৰ কৰে। কিছুমান তিৰোতাই সাধাৰণতে ব্যৱহাৰ কৰা চেৰেকীটোক (চুৰ্কী) ভাঁজ লগাই সামৰি ৰাখে। আনহাতে অসমীয়া সমাজত ব্যৱহৃত বাঁহৰ উঘাৰ পৰিবৰ্তে তেওঁলোকে আধুনিক মেচিনত তৈয়াৰী ব'বিন আৰু ব'বিন ষ্টেণ্ড ব্যৱহাৰ কৰে। যঁতৰতো পৰম্পৰাগত প্ৰচলিত কাঠৰ চক্ৰৰ পৰিবৰ্তে কিছুমানে বাইচাইকেলৰ ৰিং ব্যৱহাৰ কৰে। গতিকে বৰ্তমান পাতিৰাভাসকলৰ বোৱাকটা সঁজুলি বুলিলে পৰম্পৰাগত আৰু আধুনিক দুয়োধৰণৰ সঁজুলিয়েই দেখা যায়।

**সামৰণি ঃ**

ওপৰৰ বৰ্ণনাত স্পষ্ট হৈ উঠিছে যে দক্ষিণ কামৰূপৰ পাতিৰাভাসকলৰ ঘৰুৱা সামগ্ৰীত পৰম্পৰাগত আৰু আধুনিক দুয়োধৰণৰ সামগ্ৰীয়েই সোমাই আছে। দেখা গৈছে তেওঁলোকে ভালেসংখ্যক আধুনিক বা উদ্যোগজাত সামগ্ৰী ব্যৱহাৰ কৰিলেও পৰম্পৰাগত সা-সামগ্ৰী, বস্ত্ৰ আদিৰ ব্যৱহাৰো অব্যাহত আছে। উদাহৰণ হিচাপে দেখুৱাব পাৰি যে হাড়ী বা বাঁহৰ চুঙা ৰাভাসকলৰ সামাজিক, দৈনন্দিন বিভিন্ন কামত এতিয়াও যথেষ্ট পৰিমাণে ব্যৱহাৰ হয়। বয়নৰ ক্ষেত্ৰতো দেখা গৈছে তেওঁলোকে আধুনিক জগতৰ পৰা ভালেকেইটা উপাদান গ্ৰহণ কৰিছে যদিও পৰম্পৰাগত উপাদানসমূহৰ ব্যৱহাৰো কমি যোৱা নাই। বস্ত্ৰৰ ক্ষেত্ৰতো দেখা গৈছে যে যদিও তেওঁলোকে জীৱনৰ সৰ্বক্ষণতে পৰম্পৰাগত বস্ত্ৰ ব্যৱহাৰ নকৰে, সামাজিক, মাংগলিক, কৃষিমূলক বা তেনে বিশেষ উপলক্ষত তেওঁলোকে পৰম্পৰাগত বস্ত্ৰহে ব্যৱহাৰ কৰে। যেয়েহে পৰিশেষত ক'ব পাৰি যে দক্ষিণ কামৰূপৰ পাতিৰাভাসকলৰ ঘৰুৱা জীৱনত পৰম্পৰাগত সামগ্ৰীয়ে আজিও গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে আৰু ইয়াৰ লগতে কিছু আধুনিক সামগ্ৰীৰো সংযোজন ঘটিছে।

## Reference :

Das B.M. 1960 : Ethnic affinities of Rabha, Guwahati University.

ENDLE, S. 1975: thye Kacharies, Delhi: Cosmo Publications.

RABHA, RAJEN.1974: Rabha, Janajati Jorhat Assam Sahitya Sabha.

MEDHI. DR.B.K..2006: Belief, Rituals and ceremonies connected with Principal event of the life of Pati Rabhas of Assam.

**Acknoledgement :**

Sri Haren Rabha (62), Panchmi Rabha (32), Anupama Rabha (Asha), Garima Rabha and Kabita Rabha of Haldhipara Village.

বিঃ দ্ৰঃ- লেখিকাদ্বয়ৰ উক্ত নিৱন্ধটি মঙ্গলদৈ মহাবিদ্যালয়ত ফেব্ৰুৱাৰী ৩ আৰু ৪, ২০১২ত অনুষ্ঠিত "Traditional Knowledge System of the People of North-East India: Antiquity and Evolution" শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আলোচনাচক্ৰত পঠিত গৱেষণা পত্ৰ সৰলীকৃত অসমীয়া ৰূপ।

•••